# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 23-9-2026 **Time :** 1845hrs

***Assamese Evening Bulletin***

**Headlines**

-------------------

১। নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে প্ৰচাৰ অভিযান অব্যাহত।

২। সমগ্ৰ শিক্ষা অসমৰ সপ্তম পৰ্যায়ৰ গুণোৎসৱৰ দিন সলনি। অহা বৰ্ষৰ ১৯ জানুৱাৰীৰ পৰা ২ ফেব্ৰুৱাৰীলৈ ৩৫ খন জিলাত গুণোৎসৱ।

৩। ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্ট ট্ৰেক আদালতত ছিংগাপুৰৰ অসম এছ'চিয়েছনৰ সভাপতি অভিমন্যু তালুকদাৰৰ সাক্ষ্য প্ৰদান।

৪। ৰাজ্যৰ বিভিন্ন ঠাইত একাদশ ৰাষ্ট্ৰীয় আয়ুৰ্বেদ দিৱস পালন।

*আৰু*

৫। এছিয়ান গেমছত মহিলাৰ ভাৰোত্তোলনৰ ৪৯ কিলোগ্ৰাম ওজন শাখাৰ ফাইনেলত মীৰাবাঈ চানুৰ ৰূপৰ পদক অৰ্জন।

০০০০০০০

নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে প্ৰচাৰ অভিযান অব্যাহত আছে। ৰাজনৈতিক দলসমূহে সমষ্টিটোৰ বিভিন্ন অঞ্চলত প্ৰচাৰ চলাই ভোটদাতাসকলৰ মন জয় কৰাৰ চেষ্টা চলাইছে। বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী দেৱাশীষ শৰ্মাৰ হৈ আজি মন্ত্ৰী তথা তাৰকা প্ৰচাৰকে নিৰ্বাচনী প্ৰচাৰ চলায়। মন্ত্ৰী পীযুষ হাজৰিকাই ৰহা বিধানসভা সমষ্টিৰ ঘাঁহি মুকলি মঞ্চত আয়োজিত প্ৰচাৰ সভাত অংশ লয়। মন্ত্ৰীগৰাকীয়ে বৰ্তমানৰ দৰে ভৱিষ্যতেও ৰাইজৰ কল্যাণৰ বাবে সমৰ্পিত মনোভাৱেৰে কাম কৰিবলৈ সংকল্পবদ্ধ বুলি উল্লেখ কৰি কংগ্ৰেছৰ দীঘলীয়া শাসন কালৰ সমালোচনা কৰে। বৰ্তমান সময়ত চৰকাৰৰ বিভিন্ন উন্নয়নমূলক আঁচনিৰ জৰিয়তে জনসাধাৰণ উপকৃত হৈছে বুলি তেওঁ প্ৰকাশ কৰে। শ্ৰীহাজৰিকাই ৰহাৰ কাকমাৰী মুকলি মঞ্চত আন এখন নিৰ্বাচনী সভাতো অংশ লয়। কংগ্ৰেছৰ প্ৰাৰ্থী শিৱামণি বৰাৰ সমৰ্থনতো বিভিন্ন স্থানত প্ৰচাৰ চলোৱা হৈছে।

মৰিগাঁও জিলা প্ৰশাসনে আজি প্ৰিজাইডিং আৰু পোলিং বিষয়াসকলৰ বাবে দ্বিতীয় পৰ্যায়ৰ প্ৰশিক্ষণ কাৰ্যসূচীৰ আয়োজন কৰে। জিলাখনৰ মৰিগাঁও মহাবিদ্যালয়, ঘণকান্ত বৰুৱা মহাবিদ্যালয় আৰু জিলা পুঁথিভঁৰাল প্ৰেক্ষাগৃহত প্ৰশিক্ষণ অনুষ্ঠিত হয়। বিষয়াসকলক ইভিএম আৰু ভিভিপেটৰ ব্যৱহাৰ আৰু পৰিচালনা সন্দৰ্ভত ব্যৱহাৰিক প্ৰশিক্ষণ প্ৰদান কৰা হয়।

নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে ৬ অক্টোবৰত ভোটগ্ৰহণ কৰা হ'ব আৰু ৯ অক্টোবৰত ভোটগণনা কৰা হ'ব।

০০০০০০০

সমগ্ৰ শিক্ষা অসমে সপ্তম পৰ্যায়ৰ গুণোৎসৱৰ দিনৰ সাল সলনি ঘটাইছে। সমগ্ৰ শিক্ষাই নতুনকৈ জাৰি কৰা নিৰ্দেশ অনুসৰি ২০২৭ চনৰ ১৯ জানুৱাৰীৰ পৰা ২ ফেব্ৰুৱাৰীলৈ ৩ টা পৰ্যায়ত ৩৫ খন জিলাত গুণোৎসৱ অনুষ্ঠিত হ'ব। পূৰ্বে ৬ জানুৱাৰীৰ পৰা ৫ ফেব্ৰুৱাৰীলৈ গুণোৎসৱৰ দিন ধাৰ্য কৰা হৈছিল। বৰ্তমান সংশোধিত সময়সূচী অনুসৰি ১৯ ৰ পৰা ২২ জানুৱাৰীলৈ প্ৰথম পৰ্যায়ত ১১ খন জিলাত গুণোৎসৱ অনুষ্ঠিত হোৱাৰ উপৰি ২৫ আৰু ২৮ জানুৱাৰীৰ পৰা ৩০ জানুৱাৰীলৈ ১৩ খন জিলাত দ্বিতীয় পৰ্যায়ত আৰু ২ ৰ পৰা ৫ ফেব্ৰুৱাৰীলৈ ১১ খন জিলাত তৃতীয় পৰ্যায়ত গুণোৎসৱ অনুষ্ঠিত হ'ব।

০০০০০০০

ৰাষ্ট্ৰজুৰি চলি থকা সেৱা সংকল্প অভিযানৰ অংশ হিচাপে উচ্চ শিক্ষা বিভাগৰ উদ্যোগত বি বৰুৱা মহাবিদ্যালয়ত আয়োজিত বক্তৃতা প্ৰতিযোগিতাৰ আজি শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে উদ্বোধন কৰে। চাৰিটা পৰ্যায়ত অনুষ্ঠিত এই প্ৰতিযোগিতাৰ প্ৰথম পৰ্যায়ত আজি মহাবিদ্যালয়খনৰ স্নাতক আৰু স্নাতকোত্তৰ শিক্ষাৰ্থীসকলে অংশগ্ৰহণ কৰে। শিক্ষাৰ্থীসকলৰ মাজত যুক্তিনিষ্ঠ চিন্তা, আত্মবিশ্বাস, বিষয়ভিত্তিক জ্ঞান আৰু বক্তব্য প্ৰদানৰ দক্ষতা বিকশিত কৰাৰ লগতে তেওঁলোকক সমসাময়িক বিষয়সমূহৰ প্ৰতি অধিক সচেতন কৰি তোলাৰ উদ্দেশ্যে এই প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। এই প্ৰতিযোগিতাই শিক্ষাৰ্থীসকলৰ প্ৰতিভা বিকাশৰ দিশত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে প্ৰকাশ কৰে। অহা ১৫ অক্টোবৰত ৰাজ্যিক পৰ্যায়ৰ এই প্ৰতিযোগিতাৰ সামৰণি পৰিব।

০০০০০০০

কাৰ্বি পাহাৰত যোৱা নিশাৰ পৰা হৈ থকা নেৰানেপেৰা বৰষুণৰ ফলত পাহাৰৰ পৰা নামি অহা পানীৰ ঢলে কলিয়াবৰ ৰাজহ চক্ৰৰ বামুনীৰ ভাটাবাৰী অঞ্চলৰ অৰ্ধশতাধিক পৰিয়ালৰ বাসগৃহ বুৰাই পেলায়। বাঢ়নি পানীয়ে ভাটাবাৰী অঞ্চলত  বাসগৃহৰ উপৰি খেতি পথাৰ আৰু পশুধনৰো ক্ষতি কৰে। আমাৰ নগাঁৱৰ সংবাদদাতাই জনোৱা মতে, অঞ্চলটোৰ বামুণী নিজৰিগাঁও, কাঠাৰগাঁও আৰু উপৰ বৰভগীয়া গাঁও বানৰ কবলত পৰিছে। জিলা দুৰ্যোগ ব্যৱস্থাপনা বিভাগে জনোৱা মতে অঞ্চলটোত বানৰ ফলত শতাধিক লোক প্ৰভাৱিত হয়। নেৰানেপেৰা বৰষুণৰ ফলত কাৰ্বি পাহাৰৰ পৰা বৈ অহা পানীয়ে নগাওঁ চহৰৰ বিভিন্ন অঞ্চলতো কৃত্ৰিম বানৰসৃষ্টি কৰে। বিশেষকৈ পানীগাওঁ, হয়বৰগাওঁ, মিলনপুৰ, চকীটোপ আৰু বৰবজাৰ অঞ্চলত কৃত্ৰিম বানৰ ফলত জনজীৱন বিপন্ন হৈ পৰে। বৰষুণৰ ফলত নগাঁও চহৰৰ মাজেৰে বৈ যোৱা কলং নৈৰ জলপৃষ্ঠও বৃদ্ধি হোৱা বুলি জানিব পৰা গৈছে।

০০০০০০০

শিলচৰ পৌৰ নিগমৰ নিৰ্বাচনৰ ভোযগ্ৰহণ অহা ৩ অক্টোবৰত অনুষ্ঠিত হ'ব। এই উপলক্ষে সেইদিনা শিলচৰ পৌৰ নিগম এলেকাত ৰাজহুৱা বন্ধৰ দিন ঘোষণা কৰা হৈছে। ৰাজ্যপালৰ অনুমোদন মৰ্মে জাৰি কৰা অধিসূচনা অনুসৰি ৩ অক্টোবৰত শিলচৰ পৌৰ নিগম এলেকাৰ অন্তৰ্গত সকলো চৰকাৰী কাৰ্যালয় আৰু শিক্ষানুষ্ঠান বন্ধ থাকিব।

০০০০০০০

জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্ট ট্ৰেক আদালতত প্ৰবাসী অসমীয়াৰ সাক্ষ্য প্ৰদান অব্যাহত আছে। আজি আদালতত ছিংগাপুৰৰ অসম এছ'চিয়েছনৰ সভাপতি অভিমন্যু তালুকদাৰে সাক্ষ্য প্ৰদান কৰে। সাক্ষ্য প্ৰদান কালত অভিযুক্ত শ্যামকানু মহন্তৰ অধিবক্তাই অভিমন্যু তালুকদাৰক জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰ সংক্ৰান্তত জেৰা কৰে। কিন্তু সময়ৰ অভাৱৰ বাবে বাকী থকা অভিযুক্ত পক্ষৰ অধিবক্তাৰ তালুকদাৰক জেৰা কৰা প্ৰক্ৰিয়া সম্পূৰ্ণ নহ'ল। আদালতে তালুকদাৰক কাইলৈ পুৰা চাৰে ১০ বজাত পুনৰ হাজিৰ হ'বলৈ নিৰ্দেশ দিয়ে। সাক্ষ্য দানৰ পাছত সাংবাদিকৰ আগত অভিমন্যু তালুকদাৰে এইদৰে কয়-

বাইট-(অভিমন্যু তালুকদাৰ)

উল্লেখযোগ্য যে জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত পূৰ্বে প্ৰবাসী অসমীয়া পৰীক্ষিত শৰ্মা, সুস্মিতা গোস্বামী, প্ৰতীম লহকৰ, দেৱজ্যোতি হাজৰিকা আৰু জিও লাংছাথ নাৰ্জাৰীয়ে সাক্ষ্যদান কৰিছে।

০০০০০০০

ৰাজ্যৰ বিভিন্ন ঠাইত আজি একাদশ ৰাষ্ট্ৰীয় আয়ুৰ্বেদ দিৱস পালন কৰা হয়। পাঁচ হাজাৰ বছৰ পুৰণি আয়ুৰ্বেদ চিকিৎসা ব্যৱস্থাক ভাৰতে প্ৰমাণ আধাৰিত বৈজ্ঞানিক গৱেষণাৰ জৰিয়তে দৈনন্দিন তথা আধুনিক স্বাস্থ্য সেৱাৰ অংশ হিচাপে গঢ়ি তুলিছে। আয়ুৰ্বেদ দিৱস উদযাপনৰ লক্ষ্য হৈছে স্বাস্থ্য খণ্ডৰ গোলকীয় পৰ্যায়ত প্ৰসাৰ, ৰাষ্ট্ৰীয় স্বাস্থ্য নীতি আৰু ৰাষ্ট্ৰীয় স্বাস্থ্য কাৰ্যসূচী গঢ়ি তোলাত সহায় হোৱাকৈ আয়ুৰ্বেদৰ সম্ভাৱনীয়তাৰ অন্বেষণ, আয়ুৰ্বেদৰ অনন্য শক্তিক চিনাক্ত কৰা তথা উদ্ভিদ, প্ৰাণী আৰু পৰিবেশৰ লগতে মানৱৰ স্বাস্থ্য সুৰক্ষা আদি বিভিন্ন দিশত আলোকপাত কৰে। এইবাৰ এই দিৱসৰ বিষয়বস্তু হৈছে - **স্বাস্থ্যবান কাইলৈৰ বাবে আয়ুৰ্বেদ**।

বজালী জিলাত আজি ৰাষ্ট্ৰীয় আয়ুৰ্বেদ দিৱস উপলক্ষে নিলীমা ৰয় মাধ্যমিক বিদ্যালয়ত আয়ুৰ্বেদিক চিকিৎসা, ৰোগ প্ৰতিৰোধ আৰু সুস্থ জীৱনশৈলীৰ ওপৰত এখন সজাগতামূলক সভা অনুষ্ঠিত হয়। সভাত জিলা নডেল বিষয়া তথা আয়ুৰ্বেদিক চিকিৎসক ডাঃ হৃদয় পাঠক, ডাঃ উপমা দত্ত আৰু ডাঃ নিলাক্ষী দাসে আয়ুৰ্বেদিক চিকিৎসাৰ গুৰুত্ব আৰু স্বাস্থ্যকৰ জীৱনশৈলী সন্দৰ্ভত বক্তব্য আগবঢ়ায়। সভাত সুষম খাদ্যাভাস, নিয়মীয়া শাৰিৰীক পৰিশ্ৰম, ৰোগ প্ৰতিৰোধ আৰু স্বাস্থ্য সচেতনতাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰা হয়।

০০০০০০০

ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালৰ শিশু ৰোগ বিভাগৰ নৱজাতক কক্ষত আজি আনুষ্ঠানিকভাবে MOTHER NEWBORN CARE UNIT টো মুকলি কৰা হয়। মাতৃ আৰু নৱজাতকৰ উন্নত চিকিৎসা সেৱাৰ লক্ষ্যৰে স্থাপন কৰা এই নতুন কক্ষটো আনুষ্ঠানিকভাবে উদ্বোধন কৰে মহাবিদ্যালয়খনৰ অধ্যক্ষ ডাঃ সঞ্জীৱ কাকতিয়ে। অনুষ্ঠানত মহাবিদ্যালয়খনৰ প্ৰসূতি আৰু স্ত্ৰী ৰোগ বিভাগৰ মুৰব্বী অধ্যাপক ডাঃ প্ৰণয় ফুকন আৰু নৱজাতক গোটৰ ভাৰপ্ৰাপ্ত অধ্যাপক ডাঃ ৰীতা ফুকনকে ধৰি ভালেই কেইগৰাকী অধ্যাপক-অধ্যাপিকা, গৱেষক ছাত্ৰ আৰু শিক্ষাৰ্থী উপস্থিত থাকে।

০০০০০০০

চৰাইদেউ জিলাৰ জিলা আয়ুক্ত ড০ নেহা যাদৱে আজি জিলাখনৰ মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ অধীনৰ কেইবাগৰাকীও হিতাধিকাৰীৰ ব্যৱসায়িক প্ৰতিষ্ঠান পৰিদৰ্শন কৰে। জিলা আয়ুক্তগৰাকীয়ে হিতাধিকাৰীসকলৰ সৈতে মত বিনিময় কৰাৰ লগতে তেওঁলোকৰ ব্যৱসায়িক কাম-কাজৰো বুজ লয়। তেওঁ

লগতে হিতাধিকাৰীসকলক ব্যৱসায় অধিক সম্প্ৰসাৰণ আৰু শক্তিশালী কৰাৰ লক্ষ্যৰে 'মুদ্ৰা' আৰু 'পি এম ই জি পি'ৰ দৰে চৰকাৰী আঁচনিৰ অধীনত ৰেহাই মূল্যৰ ঋণৰ গ্ৰহণৰ পৰামৰ্শও দিয়ে।

০০০০০০০

লখিমপুৰৰ ঢকুৱাখনা বিধানসভা সমষ্টিৰ অন্তৰ্গত ঘিলামৰা উন্নয়ন খণ্ডৰ মৰনৈ গাওঁ পঞ্চায়তত আজি স্বচ্ছ ভাৰত মিছন, গ্ৰামীণৰ দ্বিতীয় পৰ্যায়ৰ সৈতে সংগতি ৰাখি বিশেষ জাবৰ সংগ্ৰহ আৰু জন সজাগতামূলক কাৰ্যসূচী আয়োজন কৰা হয়। এই বিশেষ অভিযানৰ অধীনত পঞ্চায়তখনৰ বিভিন্ন ৱাৰ্ডৰ পৰা প্লাষ্টিক আৰু অন্যান্য অজৈৱিক জাবৰ-জোথৰ সংগ্ৰহ কৰা হয়। অনুষ্ঠানত সমাজকৰ্মী, ডায়নামিক ডেভেলপমেণ্ট ছ'চাইটিৰ পৰিচালন সঞ্চালক ধৰ্মকান্ত গগৈ, সম্পাদক প্ৰান্ত কুমাৰ দাস আৰু প্ৰকল্প মুৰব্বী কেশৱ কুমাৰ নাথ উপস্থিত থাকে। তদুপৰি মৰনৈ গাওঁ পঞ্চায়তৰ সভানেত্ৰী ৰেখামণি চুতীয়া, পঞ্চায়তৰ সমূহ সদস্য-সদস্যা আৰু স্থানীয় লোকে এই অনুষ্ঠানত অংশগ্ৰহণ কৰি শ্ৰমদান কৰে। উদ্যোক্তাসকলে প্লাষ্টিকজাত সামগ্ৰী আৰু আন জাবৰ-জোথৰ য'তে ত'তে নেপেলাবলৈ সকলোকে আহ্বান জনায়।

০০০০০০০

অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান বিশ্বনাথৰ উদ্যোগত আজি পানীভৰালৰ সমূহীয়া পৰিচালিত প্ৰশিক্ষণ কেন্দ্ৰ চৌহদত জৈৱিক পুষ্টি বাগিচা আৰু পোষণ ৱালৰ উদ্বোধন কৰা হয়। পোষণ মাহ ২০২৬ উপলক্ষে আয়োজিত এই অনুষ্ঠানত জৈৱিক পুষ্টি বাগিচা আৰু পোষণ ৱালৰ উদ্বোধন কৰি জিলা আয়ুক্ত কৰবী শইকীয়া কৰণে জৈৱিক পদ্ধতিৰে পুষ্টিকৰ শাক-পাচলি উৎপাদন আৰু মহিলা সবলীকৰণৰ ওপৰত গুৰুত্ব আৰোপ কৰে। অনুষ্ঠানত সংশ্লিষ্ট বিভাগৰ বিষয়া কৰ্মচাৰীৰ লগতে বিভিন্ন আত্মসহায়ক গোটৰ সদস্যসকল উপস্থিত থাকে।

০০০০০০০

ওদালগুৰি জিলাৰ আয়ুক্ত পুলক পাটগিৰিয়ে আজি ভেৰগাওঁৰ মহকুমাধিপতি ৰিংখাং মুছাহাৰী আৰু অন্যান্য শীৰ্ষ বিষয়াসকলৰ সৈতে চামৰাং অঞ্চলৰ সমীপৰ ভাৰত-ভূটান সীমান্ত পৰিদৰ্শন কৰে। এই পৰিদৰ্শনকালত জিলা আয়ুক্তগৰাকীয়ে ভূটান চৰকাৰৰ শীৰ্ষ বিষয়াসকলৰ সৈতে পাৰস্পৰিক স্বাৰ্থজড়িত গঠনমূলক আলোচনাত মিলিত হয়। তেওঁলোকে লগতে সীমান্ত অঞ্চলত সমন্বয় শক্তিশালী কৰাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰে। এই আলোচনাই ভাৰত আৰু ভূটানৰ মাজৰ সম্পৰ্ক, সহযোগিতা, আৰু সমন্বিত প্ৰশাসনৰ মনোভাৱক প্ৰতিফলিত কৰে, যিয়ে অঞ্চলটোত শান্তি, উন্নয়ন আৰু পাৰস্পৰিক বুজাবুজিৰ ক্ষেত্ৰত সহায় কৰিব।

০০০০০০০

মৰিগাঁও জিলা আয়ুক্ত সৃষ্টি সিঙে আজি জিলা আয়ুক্ত কাৰ্যালয় সভাকক্ষত সমাগত সোমনাথ স্বাভিমান যাত্ৰাত অংশগ্ৰহণ কৰিবলগীয়া জিলাখনৰ তীৰ্থযাত্ৰীসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। বৈঠকত জিলা আয়ুক্তগৰাকীয়ে সুৰক্ষিত আৰু শান্তিপূৰ্ণভাৱে এই যাত্ৰাত অংশ লোৱাৰ বাবে প্ৰয়োজনীয় নিৰ্দেশাৱলী প্ৰদান কৰে। তেওঁ লগতে তীৰ্থযাত্ৰীসকলৰ মংগলময় যাত্ৰা কামনা কৰে।

০০০০০০০

বজালী জিলাৰ তালতলত ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত আজি বিয়লি সংঘটিত এটা পথ দুৰ্ঘটনাত এজন লোকৰ মৃত্যু হয়। আৰক্ষী সূত্ৰৰ উদ্ধৃতি দি আমাৰ সংবাদদাতাই জনোৱা মতে, লোকজনে ঘাইপথটো পাৰ হোৱাৰ সময়তে এখন তীব্ৰ বেগী বলেৰো পিকআপ বাহনখনে তেওঁক মহটিয়াই নিয়ে। নিহত লোকজনক বাতৰি লিখা পৰলৈকে চিনাক্ত কৰিব পৰা হোৱা নাই। এই দুৰ্ঘটনাৰ পাছতে পাঠশালা আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ বাহনখন জব্দ কৰাৰ লগতে ঘটনা সন্দৰ্ভত তদন্ত আৰম্ভ কৰে।

০০০০০০০

শিৱসাগৰৰ প্ৰাক্তন ৰাষ্ট্ৰীয় পৰ্যায়ৰ বেডমিণ্টন খেলুৱৈ অনিল ভাগৱতীৰ আজি নিজা বাসগৃহত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮৮বছৰ। উল্লেখযোগ্য যে ভাগৱতীয়ে ৰাষ্ট্ৰীয় পৰ্যায়ত অসম দলক কেইবাবাৰো প্ৰতিনিধিত্ব কৰি সুনাম কঢ়িয়াই আনিছিল। ক্ৰীড়াৰ লগতে বিভিন্ন সামাজিক, সাংস্কৃতিক অনুষ্ঠানৰ লগতে জড়িত ভাগৱতীয়ে শিৱসাগৰ জিলা ক্ৰীড়া সন্থাৰ ক্ৰিকেট বিভাগৰ সম্পাদক আৰু জংগমৰ প্ৰতিষ্ঠাকালীন সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। তেওঁ অ' এন জি চিৰ এগৰাকী জ্যেষ্ঠ বিষয়া হিচাপেও সেৱা আগবঢ়াইছিল। তেওঁৰ মৃত্যুত শিৱসাগৰ জিলা ক্ৰীড়া সন্থা, জংগম ক্লাব, শিৱসাগৰ বেডমিণ্টন ক'চিং চেণ্টাৰকে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰি শোক সন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে।

০০০০০০০

ভাৰতৰ তাৰকা ভাৰোত্তোলক মীৰাবাঈ চানুৱে জাপানৰ আইচি -নাগোয়াত অনুষ্ঠিত এছিয়ান গেমছত মহিলাৰ ভাৰোত্তোলনৰ ৪৯ কিলোগ্ৰাম ওজন শাখাৰ ফাইনেলত ৰূপৰ পদক জয়েৰে দেশলৈ গৌৰৱ কঢ়িয়াই আনিছে। মীৰাবাঈয়ে মুঠ ১৯৮ কিলোগ্ৰাম ভাৰোত্তোলন কৰে। চানুৱে ২০২০ চনৰ টকিঅ' অলিম্পিকত ৰূপৰ পদক জয় কৰিছিল।

ইপিনে, ভাৰতৰ জয় মীনাই এছিয়ান গেমছৰ পুৰুষৰ শ্বফট টেনিছত ব্ৰঞ্জৰ পদক অৰ্জন কৰি ইতিহাস ৰচনা কৰিছে। মীনাই আজি ছেমিফাইনেলত জাপানৰ তাকুয়া কুৰোছাকাৰ হাতত ২-০ ফলাফলত পৰাভূত হয়। অৱশ্যে খেলুৱৈগৰাকীয়ে ছেমিফাইনেলত প্ৰৱেশ কৰাৰ সুবাদত ব্ৰঞ্জৰ পদক লাভ কৰে। মীনাই ইয়াৰ পূৰ্বে ৰোমাঞ্চকৰ কোৱাৰ্টাৰ ফাইনেলত ফিলিপাইনছৰ শ্বুৰউইন নিউগ্যিটক ৪-৩ ফলাফলত পৰাস্ত কৰে।

আনহাতে, ভাৰতৰ মহেশ্বৰী সিং, পৰীনাজ ধালিৱাল আৰু ৰাইজা ঢিল্ল'ই মহিলাৰ স্কীট শ্বুটিং শিতানৰ দলীয় শাখাত ব্ৰঞ্জৰ পদক অৰ্জন কৰিছে।

০০০০০০০

সমাপ্ত